**লক্ষ্য ইউ.পি.এছ.চি; আছুৰ বিশেষ প্ৰকল্প “প্ৰত্যাশা-২.০”**



# অসামৰিক সেৱাৰ পৰীক্ষাৰ্থীৰ বাবে দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা ছাত্ৰ সন্থাৰ

সদৌ অসম ছাত্ৰ সন্থাৰ “প্ৰত্যাশা-২.০”প্ৰকল্পৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ পূৰ্ণকালীন প্ৰশিক্ষণৰ বাবে অসমৰ ২৬ গৰাকী পৰীক্ষাৰ্থী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যৰ পৰা (নেছ’ৰ জৰিয়তে) ১৪ গৰাকী অৰ্থাৎ মুঠ ৪০ গৰাকী পৰীক্ষাৰ্থীক দিল্লীলৈ প্ৰেৰণ কৰা হ’ব। দিল্লীৰ নিৰ্বাচিত প্ৰশিক্ষণ প্ৰতিষ্ঠানত তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হ’ব। দিল্লীত প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলৰ বাছনিৰ বাবে প্ৰক্ৰিয়াটো ছাত্ৰ সন্থাই আৰম্ভ কৰিছে।

**প্ৰক্ৰিয়াৰ সবিশেষ ঃ**

| | |
|---|---|
| ● আবেদনৰ বাবে ৱেবছাইট | —www.aasu.org.in |
| ● আবেদন মুকলি | — ১ মে’, ২০২৬ |
| ● আবেদনৰ শেষ তাৰিখ | — ১৫ মে’, ২০২৬ |
| ● লিখিত বাছনি পৰীক্ষা | — ৩১ মে’, ২০২৬ |
| ● লিখিত বাছনি পৰীক্ষাৰ স্থান | — গুৱাহাটী, নতুন দিল্লী, শিৱসাগৰ, তেজপুৰ |
| ● যোগাযোগৰ বাবে | — শ্ৰী টুটুমণি কলিতা<br>শিক্ষা সম্পাদক<br>সদৌ অসম ছাত্ৰ সন্থা<br>ফোন নং ঃ ৯৭০৬১৬৩৪৯৯ |

● নিৰ্বাচিত প্ৰশিক্ষাৰ্থীসকলক দিল্লীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত নামভৰ্তিৰ মাচুল আৰু প্ৰশিক্ষণৰ মাচুল ছাত্ৰ সন্থাই সম্পূৰ্ণভাৱে বহন কৰিব। ইয়াৰ উপৰি প্ৰশিক্ষাৰ্থীসকলক মাহিলি এটি জলপানি প্ৰদান কৰা হ’ব।

(লিখিত পৰীক্ষাৰ অন্তত মৌখিক সাক্ষাৎকাৰৰ দিন ঘোষণা কৰা হ’ব।)

**উৎপল শৰ্মা**
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

**সমীৰণ ফুকন**
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক **ধ্ৰুৱজ্যোতি বৰাৰ** দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত